নিশ্চয় আল্লাহে সেইসকল লোকক শাস্তি বিহিব, যিসকলে এই পাৰ্থিৱ জগতত মানুহক (অন্যায়ভাৱে) শাস্তি বিহে।

হিশ্বাম ইবনে হাকীম ইবনে হিঝাম ৰাদ্বিয়াল্লাহু আনহুমাৰ পৰা বৰ্ণিত, তেওঁ চিৰিয়াৰ কিছুমান অনাৰব খ্ৰীষ্টান লোকৰ ওচৰেদি যাওঁতে দেখিলে যে, সিহঁতক ৰ’দত থিয় কৰি ৰখা হৈছে। তেওঁ সুধিলে, “ইহঁতৰ কি হৈছে?” উত্তৰত কোৱা হ’ল, “জিজিয়া কৰ নিদিয়াৰ কাৰণে
সিহঁতক আটক কৰা হৈছে।” তেতিয়া হিশ্বামে ক’লে, “মই সাক্ষ্য দিওঁ যে, নিশ্চিতভাৱে মই ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামৰ পৰা শুনিছোঁ, তেখেতে কৈছেঃ "নিশ্চয় আল্লাহে সেইসকল লোকক শাস্তি বিহিব, যিসকলে এই পাৰ্থিৱ জগতত মানুহক (অন্যায়ভাৱে) শাস্তি বিহে।"
[ছহীহ] [(মুছলিম)]

হিশ্বাম ইবনু হাকীম ইবনে হিঝাম ৰাদ্বিয়াল্লাহু আনহুমা চিৰিয়াৰ কেইজনমান অনাৰবীয়ান কৃষকৰ ওচৰেৰে গৈ আছিল, যিসকলক প্ৰচণ্ড ৰ'দত থিয় কৰি থোৱা হৈছিল। তেওঁ সিহঁতৰ অৱস্থা সম্পৰ্কে সুধিলে। তেতিয়া তেওঁক জনোৱা হ'ল যে, ইহঁতে সক্ষম হোৱা সত্ত্বেও জিজিয়া কৰ আদায় নিদিয়াৰ কাৰণে ইহঁতক এই শাস্তি বিহা হৈছে। এই কথা শুনি হিশ্বাম ৰাদ্বিয়াল্লাহু আনহুৱে ক'লেঃ মই সাক্ষ্য দিওঁ যে, নিশ্চয় মই ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামক কওঁতে শুনিছোঁ, তেখেতে কৈছেঃ নিশ্চয় আল্লাহে সেইসকল লোকক শাস্তি প্ৰদান কৰিব, যিসকলে পৃথিৱীত মানুহক অন্যায়ভাৱে শাস্তি দিয়ে।

http://www.sunnah.global/hadeeth/as/show/8888